**CODE : 34T HIST**

# 2024

# HISTORY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×12 = 12 |
| *Q. No. 2 carries 2 marks each* | 2×12 = 24 |
| *Q. No. 3 carries 4 marks each* | 4×10 = 40 |
| *Q. No. 4 carries 6 marks each* | 6×3 = 18 |
| *Q. No. 5 carries 6 marks each* | 6×1 = 6 |
| | Total =100 |

1. Answer the following questions : ***(any twelve)*** 1×12=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *( যিকোনো বাৰটা )*

*(i)* Where was the Indus Valley Civilization discovered first ?

সিন্ধু উপত্যকাৰ সভ্যতা প্ৰথমে ক'ত আৱিষ্কৃত হৈছিল?

*(ii)* Who authored the book, *"The Story of Indian Archaeology"*?

*"The Story of Indian Archaeology"* শীৰ্ষক পুথিখনৰ লিখক কোন?

*(iii)* Which Greek traveller visited the court of Chandragupta Mauryan ?

কোনজন গ্ৰীক ভ্ৰমণকাৰী চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজসভালৈ আহিছিল?

*(iv)* Which famous Indian writer wrote the short story, *"Kunti O Nishadi"* ?

কোন গৰাকী বিখ্যাত ভাৰতীয় লিখকে 'কুন্তী ও নিষাদী' নামে চুটি গল্পটি লিখিছিল?

*(v)* Where did the Ahoms first establish their capital ?

আহোমসকলে পোন প্ৰথমে তেওঁলোকৰ ৰাজধানী ক'ত স্থাপন কৰিছিল?

*(vi)* In which year Mir Jumla invaded Assam ?

কোন চনত মিৰজুমলাই অসম আক্ৰমণ কৰিছিল?

*(vii)* Which traveller is known as the 'Bird leaves its nest'?

কোনজন পৰ্যটকক 'চৰাই বাঁহৰপৰা উৰিল' বুলি জনা যায়?

*(viii)* Name one dynasty that ruled the Vijaynagar Empire.

বিজয়নগৰত শাসন কৰা এটা ৰাজবংশৰ নাম লিখা।



*(ix)* Who led the Bhakti Movement in Assam ?

অসমত ভক্তি আন্দোলনৰ গুৰি কোনে ধৰিছিল?

*(x)* What is 'Jins-i-Kamil' ?

'জিন্স-ই-কামিল' কি?

*(xi)* In which year was the Battle of Plassey fought ?

কোন চনত পলাশী যুদ্ধ হৈছিল?

*(xii)* Who was the first martyr of the Revolt of 1857 ?

১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰথমজন শ্বহীদ কোন আছিল?

*(xiii)* Who was the Viceroy of India at the time of India's Independence ?

স্বাধীনতাৰ সময়ত ভাৰতৰ ভাইচৰয় কোন আছিল?

*(xiv)* Which was the commercial capital of British India ?

ঔপনিবেশিক ভাৰতৰ ব্যৱসায়ৰ কেন্দ্ৰ ক'ত আছিল?

*(xv)* In which year was the capital of India shifted from Kolkata to Delhi ?

কোন চনত ভাৰতৰ ৰাজধানী কলকাতাৰ পৰা দিল্লীলৈ স্থানান্তৰিত কৰা হয়?

2. Answer the following questions in brief : ***(any twelve)*** 2×12=24

তলত প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া ঃ *( যিকোনো বাৰটা )*

*(i)* Name *two* types of marriage.

বিবাহৰ *দুটা* প্ৰকাৰৰ নাম লিখা।

(ii) Name *two* elaborate sacrifices.

*দুটা* ব্যয়বহুল যজ্ঞৰ নাম লিখা।

(iii) Mention *any two* political centres of the Mauryan Empire.

মৌর্য সাম্রাজ্যৰ *যিকোনো দুখন* মুখ্য ৰাজনৈতিক কেন্দ্রৰ নাম লিখা।

(iv) Name *two* posts created by Swargadeo Pratap Singha.

স্বৰ্গদেউ প্ৰতাপ সিংহই সৃষ্টি কৰা *দুটা* বিষয়-বাবৰ নাম লিখা।

(v) Name *two* Peasant Uprisings of Assam during the British period.

ঔপনিবেশিক শাসন কালত অসমত হোৱা *দুটা* কৃষক বিদ্রোহৰ নাম লিখা।

(vi) Give *two* characteristics of the writings of Alberuni.

আলবেৰুণীৰ লিখনিৰ *দুটা* বৈশিষ্ট্য লিখা।

(vii) Name *two* famous Sufi saints.

*দুজন* বিখ্যাত চুফী সন্তৰ নাম লিখা।

(viii) What were the *two* types of farmers in the Mughal period?

মোগল যুগৰ কৃষকসকলক কোন *দুটা* ভাগত ভগোৱা হৈছিল?

(ix) Name *two* biographies written during the Mughal period.

মোগল যুগত ৰচিত *দুখন* জীৱনীৰ নাম লিখা।

(x) *'Kitab-ul-Hind'* was written in which language and how many chapters were there?

'কিতাব-উল-হিন্দ' কি ভাষাত ৰচনা কৰা হৈছিল আৰু তাত কেইটা অধ্যায় আছিল?



(xi) Mention *two* Colonial architectural styles seen in Bombay city.

বম্বে মহানগৰীত দেখিবলৈ পোৱা *দুটা* ঔপনিবেশিক স্থাপত্যশৈলী উল্লেখ কৰা।

(xii) Mention *two* social reforms introduced by the British in India before the Revolt of 1857.

১৮৫৭ চনৰ বিদ্রোহৰ পূৰ্বে বৃটিছসকলে ভাৰতত প্ৰৱৰ্তন কৰা *দুটা* সামাজিক সংস্কাৰৰ নাম উল্লেখ কৰা।

(xiii) When was the Second Round Table Conference held? Who represented the Indian National Congress there?

দ্বিতীয় ঘূৰণীয়া মেজমেল কেতিয়া হৈছিল? ভাৰতীয় জাতীয় কংগ্ৰেছৰ কোনজন প্ৰতিনিধিয়ে তাত প্ৰতিনিধিত্ব কৰিছিল?

(xiv) Give *two* effects of American Civil War on cotton cultivation.

কপাহ খেতিৰ ওপৰত আমেৰিকাৰ গৃহযুদ্ধই পেলোৱা *দুটা* প্ৰভাৱৰ বিষয়ে লিখা।

(xv) Write *any two* programmes of the Non-Cooperation Movement.

অসহযোগ আন্দোলনৰ *যিকোনো দুটা* কাৰ্যসূচী লিখা।

3. Answer the following questions : ***(any ten)*** 4×10=40

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *(যিকোনো দহটা)*

(i) Discuss the causes of downfall of the Harappan Civilization.

হৰাপ্পা সভ্যতাৰ পতনৰ কাৰণসমূহ আলোচনা কৰা।

(ii) Write a note on the sources of the history of the Mauryans.

মৌর্যসকলৰ ইতিহাসৰ সমলসমূহৰ বিষয়ে এটি টোকা লিখা।

(iii) Discuss how and why the stupas were built.

স্তুপবোৰ কেনেকৈ আৰু কিয় নিৰ্মাণ কৰা হৈছিল, আলোচনা কৰা।

(iv) Discuss briefly the early British Uprisings of Assam.

অসমত হোৱা প্ৰথমলানি বৃটিছ বিৰোধী বিদ্ৰোহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(v) Write a brief note on the reign of Suhungmung Dihingia Raja.

চুহংমুঙ দিহিঙীয়া ৰজাৰ ৰাজত্ব কালৰ বিষয়ে এটি চমু টোকা লিখা।

(vi) Discuss about Alberuni's description of caste system of India.

ভাৰতৰ জাতি ব্যৱস্থাৰ বিষয়ে আলবেৰুণীৰ ব্যাখ্যা সম্পৰ্কে আলোচনা কৰা।

(vii) Discuss about the Bhakti Movements led by the Alvars and Nayanars.

আলৱাৰ আৰু নয়নাৰসকলৰ নেতৃত্বত হোৱা ভক্তি আন্দোলনৰ বিষয়ে আলোচনা কৰা।

(viii) How was land classified under Emperor Akbar? How was land revenue assessed?

সম্ৰাট আকবৰৰ শাসন কালত মাটিৰ শ্ৰেণী বিভাজন কেনেকৈ কৰা হৈছিল? মাটিৰ ওপৰত কৰ কেনেদৰে নিৰূপণ কৰা হৈছিল?

(ix) Describe the process of manuscript production in the Mughal Court.

মোগল দৰবাৰত পাণ্ডুলিপি প্ৰস্তুত সম্পৰ্কে বহলাই লিখা।

(x) Discuss the causes of failure of the Revolt of 1857.

১৮৫৭ চনৰ বিদ্ৰোহৰ বিফলতাৰ কাৰণসমূহ আলোচনা কৰা।



(xi) Discuss the contribution of Mahatma Gandhi towards the Freedom Struggle of India.

ভাৰতৰ স্বাধীনতা সংগ্ৰামত মহাত্মা গান্ধীৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(xii) What do you mean by oral sources? Discuss the limitations of oral sources.

মৌখিক সমল বুলিলে কি বুজা? মৌখিক সমলৰ সীমাবদ্ধতা আলোচনা কৰা।

(xiii) Mention the arguments raised by some members in the debates of Constituent Assembly against seperate electorate system.

পৃথক নিৰ্বাচন ব্যৱস্থাৰ বিপক্ষে সংবিধান সভাৰ বিতৰ্কত কিছুমান সদস্যই কি কি যুক্তি আগবঢ়াইছিল উল্লেখ কৰা।

4. Read the following passages carefully and answer the questions below: 6×3=18

তলত দিয়া উদ্ধৃতি খণ্ডসমূহ পঢ়া আৰু প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ

(a) "The most important idea in Jainism is that the entire world is animated: even stones, rocks and water have life. Non-injury to living beings, especially to humans, animals, plants and insects is central to Jaina philosophy. In fact the principle ahimsa, emphasized within Jainism, has left its mark on Indian thinking as a whole. According to Jaina teachings, the cycle of birth and rebirth is shaped through Karma. Asceticism and penance are required to free oneself from the cycle of Karma. This can be achieved only by renouncing the

world; therefore, monastic existence is a necessary condition of salvation. Jaina monks and nuns took five vows : to abstain from killing, stealing and lying, to observe celibacy; and to abstain from possessing property."

(i) What is the most important idea in Jainism? 1

(ii) Mention *two* vows taken by Jaina monks and nuns. 2

(iii) How Karma and salvation are related to each other? 3

"জৈন ধৰ্মৰ মূল ধাৰণা হ'ল যে, সমগ্ৰ বিশ্বখনেই জীৱন্ত, আনকি শিল, পাথৰ, পানী— আটাইৰে প্ৰাণ আছে আৰু মানুহ, পশু, উদ্ভিদ, পোক পৰুৱাকে আদি কৰি সকলো প্ৰাণীক আঘাত কৰাৰ পৰা বিৰত থকাটোহে হ'ল জৈনধৰ্মৰ মূলমন্ত্ৰ। বাস্তৱিকতে, জৈন ধৰ্মৰ অন্তৰ্গত অহিংসা নীতিৰ নিৰ্দেশসমূহে সামগ্ৰিকভাৱে ভাৰতীয় চিন্তাধাৰাৰ ওপৰত এটা গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছে। জৈন দীক্ষা মতে, কৰ্মই জন্ম আৰু পুনৰ জন্মৰ কালচক্ৰ নিয়ন্ত্ৰণ কৰে। কৰ্মৰ চক্ৰবৎ আৱৰ্তনৰ পৰা মুক্তি পাবলৈ হ'লে বৈৰাগ্য আৰু কৃচ্ছ্ৰসাধনাৰ প্ৰয়োজন হয়। এইবোৰ কৰিবলৈ হ'লে সংসাৰ ত্যাগ কৰিব লাগিব। এনেদৰে নিৰ্বাণ লাভ কৰিবলৈ হ'লে উদাসীন সন্ন্যাসী জীৱনযাপনৰ অতীব প্ৰয়োজন। জৈন ভিক্ষু আৰু ভিক্ষুণীসকলে যি পাঁচটা অংগীকাৰ কৰে, সেইকেইটা হ'ল—জীৱহত্যাৰ পৰা আঁতৰি থকা, চুৰ নকৰা, মিছা কথা নোকোৱা, ব্ৰহ্মচৰ্য পালন কৰা আৰু সম্পত্তি ৰখাৰ পৰা নিজকে বিৰত ৰখা।"

(i) জৈন দৰ্শনৰ ধাৰণা কি? 1

(ii) জৈন ভিক্ষু আৰু ভিক্ষুণীসকলে গ্ৰহণ কৰা *দুটা* অংগীকাৰ উল্লেখ কৰা। 2

(iii) কৰ্ম আৰু নিৰ্বাণ লাভ কাৰ্য কেনেকৈ পাৰস্পৰিক সম্পৰ্কযুক্ত ? 3



(b) Krishnadeva Raya, the most famous ruler of Vijaynagar, composed a work on state-craft known as the *Amuktamalyada*. About the traders he wrote—

"A king should improve the harbours of his country and so encourage its commerce that horses, elephants, precious gems, sandalwood, pearls and other articles are freely imported...He should arrange that the foreign sailors who land in his country on account of storms, illness and exhaustion are looked after in a suitable manner...Make the merchants of distant foreign countries who import elephants and good horses be attached to yourself by providing them with daily audience, presents and allowing decent profits. Then those articles will never go to your enemies."

(i) Who was the famous king of Vijayanagar? Name his work. 1+1=2

(ii) How and why should the king interested in encouraging trade? 2+2=4

বিজয়নগৰ সাম্ৰাজ্যৰ শ্ৰেষ্ঠ ৰজা, কৃষ্ণদেৱৰায়ে তেওঁৰ 'অমুক্তমাল্যদা' নামৰ গ্ৰন্থখনত ব্যৱসায়ীসকলৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে— "ৰজাই দেশৰ বন্দৰসমূহৰ উন্নতি সাধন কৰাটো উচিত। বাণিজ্যক এনেদৰে উৎসাহিত কৰিব লাগে যাতে ঘোঁৰা, হাতী, মূল্যবান ৰত্ন, চন্দন কাঠ, মণি, মুক্তা আৰু অন্যান্য বস্তু অনায়সে আমদানি কৰিব পাৰে। ধুমুহা, বেমাৰ বা ভাগ্যৰুৱা অৱস্থাত তেওঁলোকৰ দেশত আশ্ৰয় লোৱা বিদেশী ব্যৱসায়ীসকলক চোৱা-চিতা কৰাটো উচিত। দূৰ দেশৰ হাতী আৰু ঘোঁৰা আমদানি কৰা ব্যৱসায়ী সকলৰ লগত সদায় বৈঠকত মিলিত হ'ব লাগে, তেওঁলোকক পুৰস্কৃত কৰি উচিত মুনাফা প্ৰদান কৰিব লাগে আৰু এনেদৰে সম্বন্ধ স্থাপন কৰিব লাগে। এনে কৰিলে এই বস্তুসমূহ কেতিয়াও তোমাৰ শত্ৰুৰ হাতত নপৰে।"

(i) বিজয়নগৰৰ শ্ৰেষ্ঠ ৰজাজন কোন? তেওঁৰ গ্ৰন্থখনৰ নাম লিখা। 1+1=2

(ii) ৰজাই কেনেকৈ আৰু কিয় ব্যৱসায় বাণিজ্যক উৎসাহিত কৰিব লাগে? 2+2=4



Contd.

*(c)* What maps reveal and conceal :

The development of survey methods, accurate scientific instruments and British imperial needs meant that maps here prepared with great care. The Survey of India was established in 1878. While the maps that were prepared give us a lot of information, they also reflect the bias of the British rulers. Large settlements of the poor in towns went unmarked on maps because they seemed unimportant to the rulers. As a result it was assumed that these blank spaces on the map were available for other development schemes. When these schemes were undertaken, the poor were evicted ?

*(i)* When was the department of Survey of India established ? 1

*(ii)* To which source do the survey reports and maps belong ? 1

*(iii)* How do the maps prepared by the British reflect their biasness ? 4

মানচিত্ৰবোৰে কি দেখুৱাইছিল আৰু কি লুকুৱাইছিল ঃ

গণনা পদ্ধতিৰ বিকাশ, নিখুঁট বৈজ্ঞানিক সা-সৰঞ্জাম আৰু বৃটিছৰ সাম্ৰাজ্যবাদী স্বাৰ্থই বুজাই দিছিল যে মানচিত্ৰবোৰ অতি যত্নসহকাৰে প্ৰস্তুত কৰা হৈছিল। বৃটিছ চৰকাৰে ভাৰতীয় জৰীপ বিভাগ প্ৰতিষ্ঠা কৰিছিল 1878 খৃ.ত। এই বিভাগে প্ৰস্তুত কৰা মানচিত্ৰবোৰে বহুতো প্ৰয়োজনীয় তথ্য-পাতি যোগান ধৰাৰ লগতে বৃটিছ শাসকসকলৰ পক্ষপাতিত্বও প্ৰতিফলিত কৰিছিল।

নগৰবোৰৰ দৰিদ্ৰ জনতাৰ বিশাল বসতিবোৰক এনে মানচিত্ৰ-বিলাকত চিহ্নিত কৰা নহৈছিল, কিয়নো শাসকসকলৰ দৃষ্টিত এইবোৰৰ কোনো গুৰুত্ব নাছিল। ইয়াৰ ফলত এই কথা ধৰি লোৱা হৈছিল যে মানচিত্ৰৰ এই খালী ঠাইবোৰ অন্যান্য বিকাশমূলক আঁচনি ৰূপায়ণৰ বাবেই এৰি থোৱা হৈছিল। যেতিয়াই এনে উন্নয়নমূলক আঁচনি হাতত লোৱা হৈছিল, তেতিয়াই দৰিদ্ৰ লোকসকলক তাৰপৰা উচ্ছেদ কৰা হৈছিল।



*(i)* ভাৰতত জৰীপ বিভাগ কেতিয়া স্থাপন কৰা হৈছিল? 1

*(ii)* জৰীপ প্ৰতিবেদন আৰু মানচিত্ৰবোৰ কি উৎসৰ অন্তৰ্গত? 1

*(iii)* বৃটিছে প্ৰস্তুত কৰা মানচিত্ৰবোৰে কেনেদৰে তেওঁলোকৰ পক্ষপাতিত্ব প্ৰতিফলিত কৰে? 4

5. Draw a map of India and place capitals of *any three* states. 3+3=6

ভাৰতবৰ্ষৰ এখন মেপ আকি *যিকোনো তিনিখন* ৰাজ্যৰ ৰাজধানী বহুওৱা।

**Or / অথবা**

How did the annexation of Oudh to the British Empire affects the Taluqdars there ? 6

অৱধৰ অযোধ্যাৰ বৃটিছ সাম্ৰাজ্যত চামিলকৰণে তাত বাস কৰা তালুকদাৰসকলক কেনেকৈ ক্ষতিগ্ৰস্ত কৰিছিল?

———×———